# REGIONAL NEWS UNIT

ALL INDIA RADIO, GUWAHATI

0000000000

Date : 24-06-2026 **Time :** 1100 Hrs.

ৰাজ্যিক মন্ত্ৰীসভাই ভূমি ৰূপান্তৰ বিধি অধিক সৰল কৰি তোলাৰ উদ্দেশ্যে অসম ভূমি পুনৰ শ্ৰেণীভুক্তকৰণ তথা হস্তান্তৰ নিয়ন্ত্ৰণ সংশোধনী বিধেয়ক ২০২৬ ত অনুমোদন জনাইছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি লোকসেৱা ভৱনত অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকৰ অন্তত সাংবাদিকৰ আগত কয়, যে ৰাজ্যত ঔদ্যোগিক আৰু বাণিজ্যিক বিনিয়োগত উদগনি যোগোৱাৰ লক্ষ্যৰে প্ৰস্তুত কৰা এই বিধেয়কখন বিধানসভাৰ আসন্ন বাজেট অধিবেশনত উত্থাপন কৰা হ'ব। ইয়াৰ অধীনত ক্ষুদ্ৰ, খাদী উদ্যোগ আৰু সৌৰ শক্তি প্ৰকল্প স্থাপনৰ বাবে স্বয়ংক্ৰিয়ভাৱে ভূমি ৰূপান্তৰৰ অনুমতি লাভ কৰিব পৰা যাব বুলি তেওঁ উল্লেখ কৰে।

ড° শৰ্মাই কয় যে সুলভ মূল্যৰ দোকানসমূহৰ কাম-কাজ নিৰৱচ্ছিন্নভাৱে অব্যাহত ৰখাৰ লগতে ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ অধীনত হিতাধিকাৰীসকলক সুকলমে খাদ্য বিতৰণৰ বাবে ৰাজ্যৰ সকলো সুলভ মূল্যৰ দোকানৰ অনুজ্ঞাপত্ৰৰ বৈধতাৰ সময়সীমা ৩০ জুনৰ পৰিৱৰ্তে ৩১ ডিচেম্বৰলৈ বৃদ্ধি কৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰা হৈছে। তেওঁ কয়, যে বৈঠকত অসম চাহ নিগম লিমিটেডক ৯ কোটি ৭৫ লাখ টকাৰ পুঁজি মুকলি কৰি দিয়াত অনুমোদন জনোৱা হৈছে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে মন্ত্ৰীসভাই গ্ৰামাঞ্চলত ব্যক্তিগত বিশ্ববিদ্যালয় স্থাপনৰ বাবে ন্যূনতম ভূমিৰ প্ৰয়োজনীয়তা ৬০ বিঘাৰ পৰা ৩৫ বিঘালৈ আৰু চহৰাঞ্চলৰ ৩০ বিঘাৰ পৰা ২১ বিঘালৈ হ্ৰাস কৰাৰ ক্ষেত্ৰতো অনুমোদন দিছে। মুখ্যমন্ত্ৰীয়ে বৈঠকত ৰাজ্যৰ হোমষ্টেসমূহৰ পঞ্জীয়ন সন্দৰ্ভত কেইবাটাও সিদ্ধান্ত লোৱা হৈছে বুলি সদৰী কৰে। হোমষ্টেসমূহে তিনি বছৰৰ মূৰে মূৰে পঞ্জীয়ন নৱীকৰণ কৰিব লাগিব আৰু কোঠাৰ সংখ্যা ৬ৰ পৰা ৮লৈ বৃদ্ধি কৰিব পাৰিব বুলি বৈঠকত সিদ্ধান্ত লোৱা হয়।

ধৰ্মীয় অনুষ্ঠানৰ ওচৰৰ মাটি ক্ৰয় কৰাৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে আৰোপ কৰা নিষেধাজ্ঞা সন্দৰ্ভত মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে এইক্ষেত্ৰত কিছু সাল-সলনি কৰা হ'ব।

বাইট

০০০০০০

অম্বুবাচী উপলক্ষে শক্তিপীঠ কামাখ্যা ধামলৈ দেশ-বিদেশৰ অগণন ভক্তৰ সমাগম হৈছে। সম্প্ৰতি বন্ধ থকা কামাখ্যা মন্দিৰৰ দুৱাৰ অহা ২৬ জুনৰ পুৱা অম্বুবাচীৰ নিবৃত্তিৰ পাছত ভক্তৰ বাবে পুনৰ খুলি দিয়া হ'ব।

অম্বুবাচী মহাযোগ সন্দৰ্ভত দেৱালয়ৰ কৰ্তৃপক্ষই প্ৰকাশ কৰা মতে, ভক্তসকলৰ সমাগমৰ প্ৰতি লক্ষ্য ৰাখি ৰাজ্যৰ পৰ্যটন বিভাগ, জিলা প্ৰশাসন আৰু মন্দিৰ কৰ্তৃপক্ষই যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। একাংশ দল-সংগঠনৰ লগতে ৰাজ্যৰ ভিন্ন প্ৰান্তৰ স্বেচ্ছাসেৱী সংগঠনসমূহে ভক্তসকললৈ সহায়-সহযোগিতা আগবঢ়াই আহিছে। অম্বুবাচীলৈ অহা ভক্তসকলৰ বাবে ভূতনাথ শ্মশান প্ৰাঙ্গনত বিজেপিৰ কৃষক মৰ্চাৰ উদ্যোগত খাদ্যৰ ব্যৱস্থা কৰা হৈছে।

গুৱাহাটী পৌৰ নিগমে অম্বুবাচী উপলক্ষে অহা ভক্তৰ ভিৰ নিয়ন্ত্ৰণৰ লগতে খোৱাপানী, পোহৰ আৰু চাফ-চিকুণতাৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। স্বেচ্ছাসেৱী সংস্থাসমূহেও ভক্তিপ্ৰাণ ৰাইজক সেৱা আগবঢ়োৱাৰ লগতে মেলাস্থলীৰ স্বচ্ছতা নিশ্চিত কৰাৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে।

০০০০০০

অসম আৰু অৰুণাচলত যোৱা কেইদিনমান ধৰি হৈ থকা ধাৰাসাৰ বৰষুণৰ ফলত ভালেমান অঞ্চল ভূমিস্খলনৰ কবলত পৰিছে। ডিব্ৰুগড় জিলাৰ জয়পুৰৰ সীমামূৰীয়া অঞ্চলতো শেহতীয়াকৈ ভয়ংকৰ ভূমিস্খলন হয়। বিশেষকৈ অসম-অৰুণাচলৰ সীমামূৰীয়া তিৰাপৰ দুটা স্থানত হোৱা ভূমিস্খলনৰ ফলত ৩১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথটোৰ এটা অংশ খহি পৰাত যাতায়াত বাধাগ্ৰস্ত হৈছে। তদুপৰি ডিব্ৰুগড়ত ব্ৰহ্মপুত্ৰৰ জলস্তৰ বৃদ্ধি পাইছে বুলিও আকাশবাণীৰ সংবাদদাতাই জানিবলৈ দিছে।

০০০০০০০

জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত শ্যামকানু মহন্তই দাখিল কৰা জামিন আবেদনৰ শুনানি গ্ৰহণ কৰি উচ্চতম ন্যায়ালয়ে অসম আৰক্ষী তথা ৰাজ্য চৰকাৰলৈ জাননী জাৰি কৰিছে। ন্যায়াধীশ পি ভি নাগৰত্ন আৰু ন্যায়াধীশ জয়মাল্য বাগ্‌চিৰ বিচাৰপীঠে ৰাজ্য চৰকাৰক জুলাই মাহৰ ভিতৰত শপতনামা দাখিল কৰিবলৈ নিৰ্দেশ দিয়ে। জামিন আবেদনৰ শুনানিত অসম চৰকাৰৰ হৈ মহাধিবক্তা দেৱজিৎ লন শইকীয়াই ভিডিঅ' কনফাৰেঞ্চযোগে অংশ লয়। উল্লেখযোগ্য যে গুৱাহাটী উচ্চ ন্যায়ালয়ে যোৱা ২৯ মে'ত মহন্তৰ জামিন আবেদন নাকচ কৰিছিল।

0000000

ফিফা বিশ্বকাপ ফুটবলত আজি পুৱা গুৱাডালাজাৰা ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত কলম্বিয়াই কংগোক ১-০ গ'লত পৰাস্ত কৰে।

কানাডাৰ টৰণ্টো ষ্টেডিয়ামত আজি পুৱা অনুষ্ঠিত গ্ৰুপ-এলৰ এখন খেলত ক্ৰেৱেছিয়াই পানামা ক ১-০ গ'লত পৰাস্ত কৰে। পানামাৰ খেলুৱৈসকলে খেলখনৰ শেষভাগত প্ৰতিদ্বন্দ্বী দলটোৰ বিৰুদ্ধে তীব্ৰ হেঁচা প্ৰয়োগ কৰিছিল যদিও ক্ৰেৱেছিয়াৰ গ 'লকিপাৰ ডমিনিক লিৱাকোভিচে কেইবাটাও গ 'ল ৰক্ষা কৰি ক্ৰেৱেছিয়াক বিজয়ৰ সোৱাদ দিয়ে।

ইয়াৰ পূৰ্বে আমেৰিকাৰ হিউষ্টনত অনুষ্ঠিত গ্ৰুপ-কেৰ এখন খেলত কালি প ৰ্টুগালে উজবেকিস্তানক ৫-০ গ'লত পৰাস্ত কৰে। আনহাতে, ইংলেণ্ড আৰু ঘানাৰ মাজত ফক্সবৰ 'ৰ বষ্টন ষ্টেডিয়ামত অনুষ্ঠিত প্ৰতিযোগিতাৰ গ্ৰুপ-এলৰ আন এখন খেল গ'লশূন্যভাৱে সমাপ্ত হয়।

00000000

নগাঁও চহৰৰ আমোলাপট্টি নিবাসী বিশিষ্ট সমাজকৰ্মী, সংগঠক ৰেখা শৰ্মাৰ আজি পুৱা নিজ বাসগৃহত দেহাৱসান ঘটে। অঞ্চলটোৰ বিভিন্ন ধৰণৰ সামাজিক কাম-কাজৰ সৈতে জড়িত, অসম আন্দোলনৰ অগ্ৰণী নেত্ৰী তথা বিজেপিৰ প্ৰাক্তন নেত্ৰী ৰেখা শৰ্মা সাহিত্য ৰচনাৰ সৈতেও জড়িত আছিল। ৯০ বছৰৰ উৰ্ধৰ মহিলাগৰাকীৰ বিয়োগত নগাঁও জিলা সাহিত্য সভাসহ বিভিন্ন সংস্থা-সংগঠন আৰু মন্ত্ৰী কেশৱ মহন্ত, বিধায়ক ৰূপক শৰ্মা, প্ৰাক্তন মন্ত্ৰী গিৰীন্দ্ৰ কুমাৰ বৰুৱাকে ধৰি ব্যক্তি বিশেষে শোক প্ৰকাশ কৰিছে।

0000000

**সমাপ্ত**